# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-03-2024
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***

১। দীৰ্ঘদিন ধৰি চলি থকা বিভিন্ন জল্পনা-কল্পনাৰ অন্তত আজি কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত অধিসূচনা জাৰি কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু চৰকাৰী ভ্ৰমণসূচীৰে আজি মৰিচাছত উপস্থিত হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত এহেজাৰ গৰাকী নমো ড্ৰোণ দিদিক ড্ৰোণ প্ৰদান কৰে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশত দ্ৰুত গতিত চলি থকা আন্তঃগাঁথনি নিৰ্মাণ কাৰ্যই ভাৰতক বিশ্বৰ ভিতৰতে তৃতীয় বৃহত্তম অৰ্থনৈতিক শক্তিৰূপে গঢ়ি তুলিব। *আৰু*

৫। মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কিছুসময়ৰ পাছতে গুজৰাট জায়েণ্টছ-ইউ পি ৱাৰিয়ৰ্ছৰ মুখামুখি হ'ব।

০০০০০

দীৰ্ঘদিন ধৰি চলি থকা বিভিন্ন জল্পনা-কল্পনাৰ অন্তত আজি কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত অধিসূচনা জাৰি কৰে। ইয়াৰ লগে লগে দেশজুৰি এই আইন বলৱৎ হোৱাটো নিশ্চিত হৈ পৰিছে। উল্লেখযোগ্য যে, বিজেপিয়ে পূৰ্বৰ লোকসভা নিৰ্বাচনৰ সময়ত দেশত এই আইন বলৱৎ কৰা হ'ব বুলি ঘোষণা কৰিছিল। এই সন্দৰ্ভত ২০১৯ চনত সংসদৰ উভয় সদনত বিধেয়ক গৃহীত হৈছিল। ইয়াৰ ফলত বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা ২০১৪ চন পৰ্যন্ত ভাৰতলৈ অহা হিন্দু, জৈন, খ্ৰীষ্টান, শিখ, বৌদ্ধ আৰু পাৰ্চি ধৰ্মীয় শৰণাৰ্থীসকলে ভাৰতীয় নাগৰিকত্ব লাভ কৰিব পাৰিব। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে আজি নাগৰিকত্ব সংশোধনী আইন ২০১৯ৰ অধীনত নাগৰিকত্ব সংশোধনী নিয়ম ২০২৪ ঘোষণা কৰিছে। এই নিয়মৰ জৰিয়তে নাগৰিকত্ব সংশোধনী আইন ২০১৯ৰ অধীনত যোগ্য ব্যক্তিসকলে ভাৰতীয় নাগৰিকত্ব প্ৰাপ্তিৰ বাবে আবেদন কৰিব পাৰিব। সম্পূৰ্ণ অনলাইন ব্যৱস্থাৰে দাখিল কৰিবলগীয়া এই আবেদনৰ বাবে ৱেব প'ৰ্টেলৰ ব্যৱস্থা আছে। ইফালে, এই আইনৰ বিৰোধিতা কৰি ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে প্ৰতিবাদ অব্যাহত ৰাখিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি চৰকাৰী ভ্ৰমণসূচীৰে মৰিচাছত উপস্থিত হৈছে। শ্ৰীমতী মুৰ্মুৱে কাইলৈ অনুষ্ঠিত হ'বলগীয়া মৰিচাছৰ ৰাষ্ট্ৰীয় দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। মৰিচাছৰ ৰাজধানী পোৰ্টলুইত উপস্থিত হোৱাৰ পাছতে ৰাষ্ট্ৰপতিগৰাকীক দেশখনৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ যগনৌঠৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বিমানবন্দৰত আনুষ্ঠানিকভাৱে আদৰণি জনায়।

আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি তিনি দিনীয়া ভ্ৰমণসূচীৰ কাইলৈ প্ৰথম দিনা শ্ৰীমতী মুৰ্মুয়ে মৰিচাছৰ ৰাষ্ট্ৰপতি পৃথ্বীৰাজ সিং ৰূপুনৰ সৈতে তেওঁৰ চৰকাৰী আৱাসত দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। বৈঠকৰ পাছত ৰাষ্ট্ৰপতি মুৰ্মুয়ে আয়ুৰ্বেদ উদ্যন পৰিদৰ্শন কৰাৰ লগতে মৰিচাছৰ ৰাষ্ট্ৰপতিক ৰূপেই কাৰ্ড প্ৰদান কৰিব। শ্ৰীমতী মুৰ্মুয়ে লগতে ছাৰ চিউচাগুৰ ৰামগুলাম উদ্ভিদ উদ্যান পৰিদৰ্শন কৰাৰ লগতে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ছাৰ চিউচাগুৰ ৰামগুলাম আৰু ছাৰ অনেৰুদ যগনৌঠৰ সমাধি ক্ষেত্ৰত উপস্থিত হৈ তেওঁলোকলৈ শ্ৰদ্ধা তৰ্পন কৰে।

এই ভ্ৰমণসূচীত শ্ৰীমতী মুৰ্মুৱে মৰিচাছৰ নেচনেল এছেম্বলীৰ অধ্যক্ষ, দেশখনৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ লগতে কেইবাগৰাকীও আগশাৰী নেতাক সাক্ষাৎ কৰিব। ভাৰত আৰু মৰিচাছৰ মাজত শক্তিশালী ঐতিহাসিক, সাংস্কৃতিক, সামাজিক তথা অৰ্থনৈতিক বান্ধোন আছে। দেশখনৰ ৭০ শতাংশ লোক হৈছে ভাৰতীয় মূলৰ। এই সম্পৰ্কক অধিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু মৰিচাছৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ যগনৌঠে ১৪টা বিশেষ প্ৰকল্প যুটীয়াভাৱে মুকলি কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে অপ্ৰবাসীঘাট-আন্তঃৰাষ্ট্ৰীয় দাসত্ব সংগ্ৰহালয় আৰু পৱিত্ৰ গংগা তালাও পৰিদৰ্শন কৰিব। ৰাষ্ট্ৰপতি গৰাকীয়ে ইয়াৰ উপৰি মৰিচাছ বিশ্ববিদ্যালয়ত স্থানীয় যুৱক-যুৱতীসকলক সম্বোধন কৰাৰ লগতে মহাত্মা গান্ধী প্ৰতিষ্ঠানত ভাৰতীয় প্ৰব্ৰজনকাৰীৰ সদস্যসকল আৰু ভাৰতীয় সম্প্ৰদায়কো সম্বোধন কৰিব।

উল্লেখযোগ্য যে, ১৯৪৮ চনৰ পৰাই ভাৰত আৰু মৰিচাছৰ মাজত ঘনিষ্ঠ দ্বিপাক্ষিক সম্পৰ্কই সামুদ্ৰিক সুৰক্ষা আৰু সামৰ্থ বিকাশৰ ক্ষেত্ৰত সহযোগিতাৰ নতুন মাত্ৰা স্থাপন কৰিছে। অৰ্থনৈতিক সহযোগিতাও ভাৰত-মৰিচাছৰ সম্পৰ্কৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ এইবাৰৰ ভ্ৰমণসূচীয়ে দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্কক এটা নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, মহিলা শক্তিৰ গৰিমা বৃদ্ধিৰ লগতে তেওঁলোকৰ বাবে ন-ন সুযোগ সৃষ্টিৰ জৰিয়তে কোনো এখন দেশ আগুৱাই যাব পাৰে। নতুন দিল্লীত **শক্তিশালী নাৰী বিকশিত ভাৰত** কাৰ্যসূচীক সম্বোধন কৰি শ্ৰী মোদীয়ে আজি এইদৰে কয়। অনুষ্ঠানত শ্ৰীমোদীয়ে এহেজাৰ গৰাকী ড্ৰোণ বাইদেউক ড্ৰোণ প্ৰদান কৰে। তেওঁ কয় যে, বিভিন্ন চৰকাৰী আঁচনিৰ বাবে এক কোটিৰো অধিক মহিলা লাখপতি দিদি হৈছে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, ২০১৪ চনত ক্ষমতালৈ অহাৰ পিছত মহিলাৰ বাবে বহুতো আঁচনি তৈয়াৰ কৰা হৈছে আৰু সেইসমূহ সফলতাৰে ৰূপায়ণ কৰা হৈছে। একবিংশ শতিকাৰ ভাৰতবৰ্ষত প্ৰযুক্তিগত বিপ্লৱৰ ক্ষেত্ৰত দেশৰ মহিলা শক্তিয়ে নেতৃত্ব লবলৈ সক্ষম হ'ব বুলিও তেওঁ বিশ্বাস ব্যক্ত কৰে। শ্ৰীমোদীয়ে কয় যে, সমাগত বছৰবোৰত দেশত ড্ৰোন প্ৰযুক্তিৰ সম্প্ৰসাৰণ হ'ব আৰু নমো ড্ৰোন দিদিৰ বাবে ব্যাপক সুযোগৰ পথ

প্ৰশস্ত হব। শ্ৰীমোদীয়ে কয় যে, মহিলা সৱলীকৰণৰ দিশত আত্মসহায়ক গোটসমূহে নতুন ইতিহাস ৰচনা কৰিবলৈ সক্ষম হৈছে।

তেওঁ লগতে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ মুফ্‌ট্ বিজুলী যোজনা ৰূপায়ণৰ বাবে আগবাঢ়ি আহিবলৈ আত্মসহায়ক গোটসমূহক আহ্বান জনায়। তেওঁ কয় যে, এই আত্মসহায়ক গোটসমূহে গ্ৰাম্য আন্তঃগাথনি উন্নয়নৰ লগতে গ্ৰাম্য সম্প্ৰদায়ৰ সামগ্ৰিক বিকাশত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াবলৈ সক্ষম হৈছে। শ্ৰীমোদীয়ে কয় যে, বিগত ১০ বছৰত চৰকাৰে কেৱল আত্মসহায়ক গোটসমূহৰ সম্প্ৰসাৰণ কৰায়েই নহয় বৰং এই গোটসমূহৰ ৯৮ শতাংশৰ বাবে বেংক একাউণ্ট খোলাৰ সুবিধাও প্ৰদান কৰিছে। এনে গোটসমূহলৈ আগবঢ়োৱা সাহায্যৰ পৰিমাণ ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে আৰু ৮ লাখ কোটিৰো অধিক টকা এই গোটসমূহৰ বেংক একাউণ্টত জমা দিয়া হৈছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে। শ্ৰীমোদীয়ে লগতে কয় যে, আধুনিক আন্তঃগাথনি বিকাশৰ ফলত আত্মসহায়ক গোটসমূহৰ উপাৰ্জন পূৰ্বৰ তুলনাত ৩ গুণ বৃদ্ধি পাইছে। আজিৰ অনুষ্ঠানত শ্ৰীমোদীয়ে ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান-দিনদয়াল অন্তোদয়া যোজনাৰ জৰিয়তে সফলতা লাভ কৰা আৰু আন আত্মসহায়ক গোটৰ সদস্যাসকলক অনুপ্ৰাণিত কৰা লাখপতি বাইদেউসকলক সম্বৰ্ধনা জনায়। তেওঁ লগতে আত্মসহায়ক গোটসমূহলৈ প্ৰায় ৮ হাজাৰ কোটি টকাৰ বেংক ঋণো মুকলি কৰি দিয়ে।

০০০০০

শ্ৰোতাসকলে বাতৰি শুনিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা। আপোনালোকে এই বাতৰিৰ লগতে শেহতীয়া তথ্য ফেচবুকৰ Airnews Ghy, ইউটিউবত Air News Guwahati, ইনষ্টাগ্ৰামৰ @airnews_guwahati,আৰু এক্সৰ @airnews_ghy যোগে শুনিব পাৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশত দ্ৰুত গতিত চলি থকা আন্তঃগাঁথনি নিৰ্মাণ কাৰ্যই ভাৰতক বিশ্বৰ ভিতৰতে তৃতীয় বৃহত্তম অৰ্থনৈতিক শক্তিৰূপে গঢ়ি তুলিব। তেওঁ কয় যে, যোৱা ৩ টা মাহৰ ভিতৰতে ১০ লাখ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰাৰ লগতে আন বহুতো প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হৈছে। শ্ৰীমোদীয়ে আজি হাৰিয়ানাৰ গুৰুগ্ৰামত প্ৰায় এক লাখ কোটি টকা ব্যয় সাপেক্ষে দেশৰ বিভিন্ন প্ৰান্তত নিৰ্মাণ হবলগীয়া ১১২ টা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি এইদৰে প্ৰকাশ কৰে।

০০০০০

ভাৰতৰ নিৰ্বাচন আয়োগে আজি নতুন দিল্লীত সমাগত লোকসভা আৰু ৰাজ্য বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত নিয়োগ কৰা পৰ্যবেক্ষকসকলৰ এখন বৈঠকৰ আয়োজন কৰে। বৈঠকত পৰ্যবেক্ষকসকলক নিৰ্বাচনৰ সময়ত তেওঁলোকৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰি নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে মুক্ত নিকা আৰু প্ৰলোভনমুক্ত নিৰ্বাচন অনুষ্ঠিত কৰাটো সুনিশ্চিত কৰিবলৈ পৰ্যবেক্ষকসকলক নিৰ্দেশ দিয়ে। ভাৰতীয় প্ৰশাসনিক সেৱা, ভাৰতীয় আৰক্ষী সেৱাৰ লগতে ভাৰতীয় ৰাজহ সেৱা আৰু অন্যান্য কেন্দ্ৰীয় সেৱাৰ পৰা পৰ্যবেক্ষক হিচাপে নিযুক্ত দিয়া ২ হেজাৰ ১০০ গৰাকীতকৈও অধিক জ্যেষ্ঠ বিষয়াই বৈঠকত অংশগ্ৰহণ কৰে। নিৰ্বাচন আয়োগৰ প্ৰতিনিধি হিচাপে পৰ্যবেক্ষকসকলে পেচাগতভাৱে নিজ নিজ দায়িত্বসমূহ

পালন কৰাৰ লগতে অংশীদাৰ তথা প্ৰাৰ্থীসকলৰ বাবে সম্পূৰ্ণ নিৰ্বাচনী প্ৰক্ৰিয়াটো সুলভ কৰি তুলিব বুলি নিৰ্বাচন আয়োগে আশা প্ৰকাশ কৰে।

০০০০০

উচ্চতম ন্যায়ালয়ে আজি ইলেক্টৰেল ব'ণ্ড সম্পৰ্কীয় তথ্য প্ৰদানৰ বাবে ভাৰতীয় ষ্টেট বেংকে ৩০ জুনলৈকে সময়সীমা বৃদ্ধিৰ উদ্দেশ্যে দাখিল কৰা আবেদন খাৰিজ কৰিছে। ন্যায়ালয়ে কাইলৈৰ ভিতৰত ষ্টেট বেংকক ইলেক্টৰেল ব'ণ্ড সম্পৰ্কীয় সকলো তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ সঞ্জীৱ খান্না, বি আৰ গাভাই, জে বি পাৰ্দিৱালা আৰু মনোজ মিশ্ৰক লৈ গঠিত ৫ জনীয়া ন্যায়াধীশৰ এখন খণ্ড বিচাৰপীঠে এই শুনানিসমূহ গ্ৰহণ কৰে। বিচাৰপীঠখনে লগতে নিৰ্বাচন আয়োগক বেংকে দাখিল কৰা সকলো তথ্য ১৫ মাৰ্চৰ বিয়লি ৫ বজাৰ ভিতৰত নিজৰ চৰকাৰী ৱেবছাইটত প্ৰকাশ কৰিবলৈও নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে যোৱা ১৫ ফেব্ৰুৱাৰীত সৰ্বোচ্চ ন্যায়ালয়ে ইলেক্টৰেল ব'ণ্ড আঁচনি বাতিলৰ বাবে ৰায় প্ৰদান কৰাৰ লগতে ১৩ মাৰ্চৰ ভিতৰত নিৰ্বাচন আয়োগক দান-বৰঙণি সংক্ৰান্তীয় সকলো তথ্য ৰাজহুৱা কৰিবলৈ নিৰ্দেশ দিছিল।

০০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কিছুসময়ৰ পাছতে গুজৰাট জায়েণ্টছ-ইউ পি ৱাৰিয়ৰ্ছৰ মুখামুখি হ'ব। খেলখন নতুন দিল্লীৰ অৰুন জেটলী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে ইউ পি ৱাৰিয়ৰ্ছ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত থকাৰ বিপৰীতে গুজৰাট জায়েণ্টছ্ পঞ্চম তথা অন্তিম স্থানত আছে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

০০০০০

সমাপ্ত